
8

Technical bulletin No. AAU/KVK(DMJ)/03/15/376/500 Year: 2014-15

# উন্নত পদ্ধতিত তৰমূজৰ খেতি



বিনীতা কোঁৱৰ
য়াতেৰ দাস
ড° বিজুস্মিতা শৰ্মা ডেকা

কৃষি বিজ্ঞান কেন্দ্ৰ, ধেমাজি
অসম কৃষি বিশ্ববিদ্যালয়
চিলাপথাৰ - ৭৮৭০৫৯

# উন্নত পদ্ধতিত তৰমুজৰ খেতি

গৰমৰ দিনৰ এক উৎকৃষ্ট ফল তৰমুজ। "কিউকাৰবিটেচী" গোত্ৰৰ তৰমুজৰ ফলবোৰ পুৰঠ অৱস্থাত গছৰ পৰা চপাই অনা হয় আৰু ফল হিচাবে খোৱা হয়। তৰমুজৰ ভিতৰৰ ৰসাল ভাগটো ৰঙা হয় আৰু ই ভিটামিন 'এ' আৰু আইৰণ সমৃদ্ধ। ইয়াৰ ভিতৰৰ মঙহ ভাগ চেঁচা আৰু শীতল ৰসাল পানীয় হোৱাৰ ফলত গৰমৰ দিন কেইটাৰ ই এক উত্তম ফল ৰূপে পৰিচিত। ইয়াৰ উপৰিও এই ফলত কিছুমান ঔষধি গুণ আছে আৰু ইয়াত 'লাইকপিণ' নামৰ এণ্টিঅক্সিডেণ্টও প্ৰচুৰ পৰিমাণে পোৱা যায়।

**তৰমুজৰ জাঁত/সঁচ ঃ**

বাণিজ্যিক ভিত্তিত খেতি কৰিলে লাভৱান হ'ব পৰা কিছুমান উন্নত আৰু অনুমোদিত সঁচ হৈছে- চুগাৰ বেবি, আৰ্কা জ্যোতি, আৰ্কা মাণিক, পুচাবেদনা, আচাহি য়ামাট' আদি। উক্ত জাত সমূহৰ শস্যকাল জাত ভেদে ৯০ - ১২০ দিন।

**জলবায়ু ঃ**

তৰমুজৰ বাবে উষ্ণ শুকান জলবায়ু আৰু ৰ'দঘাই ঠাইৰ প্ৰয়োজন। এনে মাটিত খেতি কৰিলে উচ্চ মান বিশিষ্ট ফল পোৱা যায়।

**মাটি ঃ**

তৰমুজ বালিয়া বা বালিচঁহীয়া মাটিত অতি সহজে আৰু সফলতাৰে কৰিব পৰা যায়। নৈ পৰীয়া বালিয়া মাটিত আগতীয়া খেতিৰ বাবে উত্তম। এই ধৰণৰ মাটিত তৰমুজৰ খেতি ভাল হোৱাৰ প্ৰধান কাৰণ হ'ল উক্ত মাটি অতি সোনকালে (ফাগুন-চ'ত মাহত) গৰম হৈ উঠে। বাচনি কৰা মাটি ডৰাৰ অম্লতা ৬.০০-৭.০০ ৰ ভিতৰত হ'ব লাগে আৰু মাটিৰ উষ্ণতা ১০০ চেলচিয়াচতকৈ কম হ'ব নালাগে, অন্যথা বীজৰ অঙ্কুৰণ নহয়।

খেতিৰ বাবে প্ৰস্তুত কৰা মাটিডৰা ভালদৰে চহাই, মৈয়াই সমান কৰি ল'ব লাগে আৰু সিঁচা গাঁত অথবা ঠাই ডোখৰত প্ৰচুৰ পৰিমাণে পচন সাৰ বা গোবৰ মিহলাই ল'ব লাগে।

**বীজ সিঁচাৰ সময় ঃ**

অসমৰ মাটি আৰু জলবায়ু অনুসৰি বীজ সিঁচাৰ উপযুক্ত সময় হৈছে- জানুৱাৰী-ফেব্রুৱাৰী (পুহ-ফাগুণ)। নৈ পৰীয়া মাটিত অৱশ্যে এই খেতি নৱেম্বৰৰ পৰা জানুৱাৰীৰ ভিতৰত কৰিব পাৰি আৰু এনে খেতিত ভাল ফল পোৱা যায়।

**বীজৰ পৰিমাণ আৰু ৰোপণ প্ৰণালী ঃ**

তৰমুজৰ খেতিৰ বাবে বীজৰ পৰিমাণ, বীজ সিঁচাৰ পদ্ধতি আৰু ৰোপণ দূৰত্বৰ ওপৰত নিৰ্ভৰ কৰে। গৱেষণাৰ পৰা দেখা গৈছে যে বিঘাই প্ৰতি প্ৰায় ৪৫০-৬০০ গ্ৰাম বীজৰ আৱশ্যক।

তৰমুজৰ বীজ গাঁতত নাইবা ভেঁটিত সিঁচিব পাৰি। ভেঁটিটো সমতলভূমি হোৱাৰ প্ৰয়োজন আৰু গুটিবোৰ ভেঁটিত দিব লাগে। ভেঁটিবোৰ ২.৫-৩.৫ মিটাৰ বহল হোৱাৰ প্ৰয়োজন। দুটা ভেঁটিৰ মাজত ৬০ ছেঃ মিঃ বহল নলা ৰখাৰ আৱশ্যক। গুটিবোৰ ভেঁটিত ১.২-২.৪ মিটাৰ ব্যৱধানত ১ ছেঃ মিঃ গভীৰতাত সিঁচিব লাগে।

তৰমুজৰ বীজ গাঁতত সিঁচিলে গাঁতবোৰ ১.৫-২.৫ মিটাৰ ব্যৱধানত কৰিব লাগে। উক্ত গাঁতবোৰ দীঘে পথালিয়ে ১.২ মিটাৰ আৰু ৪৫ ছেঃ মিঃ দকৈ খান্দি তাত শুকান গোবৰ, পলসুৱা মাটি আদি মিহলাই লৈ প্ৰতিটো গাঁতত ৪-৫ টা গুটি সিঁচিব লাগে।

**সাৰৰ পৰিমাণ আৰু প্ৰয়োগ প্ৰণালী ঃ**

তৰমুজৰ খেতি বালিচঁহীয়া মাটিত কৰিলে প্ৰচুৰ পৰিমাণে (প্ৰায় ৩-৪ টন প্ৰতি বিঘাত) গোবৰৰ প্ৰয়োজন হয়। ইয়াৰ উপৰিও লাভজনক খেতি পাবলৈ হ'লে ৰাসায়নিক সাৰ প্ৰয়োগ কৰা বাঞ্চনীয়। প্ৰতি বিঘা মাটিত সাৰৰ পৰিমাণ এনেধৰণৰ ঃ ইউৰীয়া-১৭-২৩ কিলোগ্ৰাম, একক চুপাৰ ফচ্‌ফেট- ৫০-৬৬ কিলোগ্ৰাম আৰু মিউৰেট অৱ পটাছ - ১৩-১৮ কিলোগ্ৰাম। উক্ত সাৰখিনিৰ ১/৩ অংশ ইউৰীয়া আৰু সমুদায় চুপাৰ আৰু পটাছ শেষৰবাৰ মাটি চহাওঁতে অথবা গাঁতবোৰত সমান ভাগ কৰি দিব লাগে। বাকী থকা যোৱা ২/৩ অংশ ইউৰীয়া সমানে দুভাগ কৰি গুটি সিঁচাৰ ১ মাহ আৰু ২ মাহৰ মুৰত পুলিৰ কাষত ৰিং কৰি প্ৰয়োগ কৰিব লাগে। সাৰ প্ৰয়োগৰ সময়ত মাটিত জীপ থকাৰ প্ৰয়োজন।

**শস্য পৰিচৰ্য্যা ঃ**

তৰমুজ লতা জাতীয় হোৱাৰ বাবে ইয়াক মাটিত বগাবলৈ দিয়া হয়। মাটিৰ উপৰিভাগত ধানৰ নৰা বা খেৰ পাৰি দিলে গছবোৰ বগাবলৈ সুবিধা হয়। গছৰ আগবোৰ দূৰলৈ বগাই যাব নোৱাৰাকৈ সময়ে সময়ে আগবোৰ গছজোপাৰ চাৰিওফালে ঘুৰাই দিব লাগে।

গৰম আৰু খৰাং বতৰত গছৰ গুৰিত ৭-১০ দিনৰ মূৰত পানী দিব লাগে। লাভজনক খেতি পাবলৈ হ'লে তৰমুজৰ ডাল পাতেৰে ভেঁটিটো ঢাক নোখোৱালৈকে পানীৰ ব্যৱস্থা আৰু বন-বাত নিয়ন্ত্ৰণ কৰি ৰখা অতি প্ৰয়োজন।

**তৰমুজৰ প্ৰুণিং ঃ**

ফলবোৰৰ উৎপাদন আৰু গুণগত মান বঢ়াবৰ বাবে প্ৰুণিং অতি প্ৰয়োজন। সুগঠিত আৰু উন্নত ফল পাবলৈ হ'লে এজোপা গছত ৩-৪ টা প্ৰধান শাখা ৰাখিব লাগে আৰু প্ৰত্যেকটো ডালতে ২-৩ টা ফলহে ৰাখিব লাগে।

**শস্যৰক্ষা ঃ**

তৰমুজত যদিও বিশেষ বেমাৰে দেখা নিদিয়ে তথাপিও ই সম্পূৰ্ণৰূপে বেমাৰ মুক্ত নহয়। ইয়াত দেখা দিয়া বিভিন্ন বেমাৰবোৰ হৈছে ঃ

**পাউদাৰী মিলদিউ** (Powdery mildew) ঃ এই বেমাৰত তৰমুজৰ পাতবোৰত পাউদাৰ সদৃশ বগা গুড়ি পৰ্দাথ দেখা যায় আৰু পাতবোৰ লাহে লাহে শুকাই যাবলৈ ধৰে।

এই বেমাৰৰ প্ৰতিকাৰৰ বাবে বেভিষ্টিন ০.১ (১ মিলি গ্ৰাম প্ৰতি লিটাৰ পানীত) শক্তিৰ নাইবা কেৰেথেন ০.৫ (৫ মিলিগ্ৰাম প্ৰতি লিটাৰ পানীত) শক্তিৰ মিশ্ৰণ স্প্ৰে কৰিব লাগে।

**এনথ্ৰাক্‌ন'জ** (Anthracnose) ঃ ভেঁকুৰৰ দ্বাৰা এই বেমাৰ আৰম্ভ হয়। উক্ত বেমাৰৰ দ্বাৰা আক্ৰান্ত হ'লে গছৰ ঠাৰি, পাত অথবা ফলবোৰত ক'লা দাগ পৰি গেলিবলৈ ধৰে আৰু গছজোপা মৰি যায়।

এই বেমাৰৰ প্ৰতিকাৰৰ বাবে বেভিষ্টিন ১ গ্ৰাম প্ৰতি লিটাৰ পানীত মিশ্ৰণ কৰি স্প্ৰে কৰিব লাগে।

**শুঁৰপোক ঃ** এই পোকৰ দ্বাৰা আক্ৰমণ হ'লে ফলৰ পুলিবোৰ দুই পতীয়া বা তিনি পতীয়া হ'লে পুলিবোৰৰ গুৰি কাটি দিয়ে।

এইবিধ পোকৰ পৰা পৰিত্ৰাণ পাবলৈ হ'লে বীজ সিঁচাৰ আগতে ভেটিটোত মালাথিয়ন পাউদাৰ ছটিয়াই ল'ব লাগে।

**ফল বিন্ধা, এপিলেকণা বিটল আৰু মোৱা পোক ঃ** এই কেইবিধ পোঁকে আক্ৰমণ কৰিলে ই ফলৰ ৰস শুহি খায় আৰু ফলৰ ভিতৰ ভাগত সোমায় অনিষ্ট সাধন কৰে।

এই কেইবিধ পোকৰ পৰা পৰিত্ৰাণ পাবলৈ হ'লে মালাথিয়ন ৫০ ই.চি. ঔষধ ২ চাহ চামোচ ৫ লিটাৰ পানীত মিহলাই স্প্ৰে' কৰিব লাগে।

ঔষধ প্ৰয়োগ কৰাৰ আগতে এটা কথা মন কৰিব লাগে যাতে চিঙিব লগা ফলবোৰ ঔষধ প্ৰয়োগ কৰাৰ আগতে চিঙি লোৱা হয় আৰু ঔষধ প্ৰয়োগ কৰাৰ ৮-১০ দিনলৈ ফল চিঙিব নালাগে।


**ফল চপোৱা আৰু উৎপাদন ঃ**

ফুল ফুলাৰ ৪০-৪৫ দিনৰ ভিতৰত তৰমুজৰ ফলবোৰ পকিবলৈ ধৰে আৰু চপাব পৰা হয়। ফলবোৰ ৰাতিপুৱা চিঙিব লাগে। এনে কৰিলে ফলবোৰ বহু সময়লৈ মচ্‌মচিয়া হৈ থাকে।

তৰমুজৰ ফলবোৰ সম্পূৰ্ণ পকিলে তলত উল্লেখিত পৰিপক্কতাৰ চিনবোৰ দেখা পোৱা যায় আৰু ফলবোৰ গছৰ পৰা চিঙিব লাগে।

- ফলৰ ঠাৰিৰ লগতে লাগি থকা আৰ্কষক লতাডাল শুকাই যায়
- মাটিৰ লগত স্পৰ্শ হৈ থকা ফলৰ অংশটো পাতল হালধীয়া বৰণৰ হয়
- হাতেৰে হেঁচা দিলে মচ্‌মচিয়া ফাটি যোৱা ধৰণৰ শব্দ হয়।
- হাতেৰে থপৰিয়ালে পকা ফলত ধপ্ ধপ্ ধৰণৰ ফোপোলা শব্দ হয়।

----------------



অসম কৃষি বিশ্ববিদ্যালয়ৰ অন্তৰ্গত চিলাপথাৰত অৱস্থিত কৃষি বিজ্ঞান কেন্দ্ৰ, ধেমাজিৰ হৈ আঁচনি সমন্বয়ক ড০ ৰিজুস্মিতা.শৰ্মা ডেকাৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু অসম কৃষি বিশ্ববিদ্যালয় অফছেট ছপাশাল, যোৰহাট - ১৩ ত মুদ্ৰিত।
অলংকৰণ ঃ শ্ৰীবিষ্ণু নাৰায়ণ ফুকন, আঁচনি সহায়ক (কম্পিউটাৰ), কৃষি বিজ্ঞান কেন্দ্ৰ, ধেমাজি।